FIRST EDITION

EUCALYPTUS

A FAN TRIBUTE TO

Zubeen Garg

The Rebel • The Voice • The Free Spirit

Songs People Stories Forever



MUSIC
PEOPLE
CULTURE
LEGACY

Edited by Zubeen Fans | Published in Association with
Jawaharlal Nehru College (Autonomous), Boko
Department of Political Science

MUSIC
PEOPLE
STORIES
ALWAYS

"Some voices never fade."

Eucalyptus

A TRIBUTE TO ZUBEEN GARG

PUBLICATION INFORMATION

EDITION

First Edition · 2026

© 2026 Eucalyptus.
All rights reserved.

PLAGIARISM RESPONSIBILITY

All contributors are solely responsible for the originality, authenticity, accuracy, and copyright status of their submitted content. Any matter relating to plagiarism, copyright infringement, unauthorised use, or misrepresentation of content shall be the responsibility of the respective author or contributor. The Editorial Team shall not be held responsible for such violations.

📧 arjunmalo.edu@gmail.com
📧 ananyadas398@gmail.com

HIS MUSIC
LIVES ON
IN US

ASSAM · 2026

PEOPLE · CULTURE · MEMORIES



EDITORIAL TEAM

THE PEOPLE BEHIND THIS SPECIAL EDITION



Arjun Malo

Editor in Chief / Coordinator



Ananya Das

Sub- Editor/Content Director



Manik Das

Head of Art & Editorial Design



Kapil Malo

Content Editor/ Promotion & Outreach



Nabajit Sanyashi

Graphic Designer/Quality Control



Banajit Kalita

Photography & Album



Dipta Sundar Basak

Artworks Curator



Dimpy Kaur

Research & Fact Check

Tumi Roi Jaba…

শুভেচ্ছাবাণী

গন্ধর্বপুত্র জুবিন গার্গৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰী অৰ্জুন মালো (সম্পাদক) আৰু শ্ৰীমতী অনন্যা দাসৰ সম্পাদনাত 'EUCALYPTUS' নামৰ এখন E-Magazine প্ৰকাশৰ বাবে লোৱা উদ্যোগ নিত্যান্তই প্ৰাসঙ্গিক আৰু প্ৰশংসনীয়। জুবিন গার্গৰ বহু কালজয়ী গীতৰ শ্ৰষ্ঠা। তেওঁৰ গীতৰ মূলধন, সুৰ আৰু আবেগ সন্ধানী ভাব। আকাশ বিহাৰী চৰাইৰ দৰে গীতৰ শব্দভাৰ গভীৰ সংবেদনশীল।

তেওঁ সময় পালে গছপুলি ৰুইছে, প্ৰকৃতি ধ্বংসৰ বিৰুদ্ধে দহজনৰ লগত ৰাজপথত থিয় দিছে। জাতিৰ দুৰ্যোগৰ সময়তো উদাত কণ্ঠেৰে সকলোকে জগাইছে। সঁচা অৰ্থত এক "Versatile Genius"। তেওঁ জীয়াই থাকোঁতে যেনেকৈ কৈ গৈছিল জাতি, ধৰ্ম নোহোৱাৰ কথা মৃত্যুৰ পাছতো সকলোকে এক কৰি গ'ল। কোনেও জাতি, ধৰ্ম বিচাৰ নকৰি এক হৈ ওলাই আহি তেওঁক সন্মান জনালে, তেওঁক শ্ৰদ্ধাঞ্জলি দিলে।

জুবিন গার্গক প্ৰায়ে "Epitome of Authenticity" বুলি অভিহিত কৰা হয়। তেওঁ যথাৰ্থতা বা সত্যতাৰ নিদৰ্শন। জুবিন গার্গৰ স্মৃতিক যুগমীয়া কৰিবৰ বাবে চলা এনে আন্তৰিক প্ৰগতিলৈ মোৰ অশেষ শুভকামনা।

ধন্যবাদেৰে——

১৮/০৯/২০২৫

ড° প্ৰাণেশ্বৰ নাথ
প্ৰাক্তন উপাধ্যক্ষ
জৱাহৰলাল নেহৰু মহাবিদ্যালয় (স্বায়ত্তশাসিত), বকো

সম্পাদকীয় | *Editorial*

Some voices are heard; a few become the voice of a people. Zubeen Garg was one such rare soul—rooted in Assam, yet transcending boundaries through his music.

With love and remembrance, we present **EUCALYPTUS**, an e-Magazine celebrating his life, music, and enduring legacy through poems, writings, letters, artworks, and memories from admirers and contributors.

I extend my heartfelt gratitude to all the Zubeen admirers, contributors, students, editorial and technical teams, and especially the authorities of Jawaharlal Nehru College (Autonomous), Boko, including the respected Principal Sir, for their valuable support and encouragement.

My sincere appreciation also goes to Dr. Bapukan Saikia Sir, Head of the Department of Political Science, JNC, Boko, and Dr. Praneshwar Nath Sir, President, Chhaygaon Sahitya Sabha, for their valuable guidance, encouragement, and support towards this humble endeavour.

May these pages preserve a fragment of a memory that remains evergreen in our hearts.

জয় জুবিন দা।
জয় আই অসম।

Arjun Malo
Ex-Cottonian
Secretary, Zubeen Garg E-Magazine

সম্পাদকীয়

ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজা জুবিন দাক সুঁৱৰি প্ৰস্তুত কৰা আমাৰ প্ৰয়াস ই-মেগাজিন '**EUCALYPTUS**'-লৈ সমূহ পাঠকবৃন্দক আদৰিছোঁ। উক্ত আলোচনীখন আমি চিৰ অমৰ জুবিন দাক সুঁৱৰি তেখেতকলৈ লিখা কবিতা, প্ৰবন্ধ, চিঠি, তেখেতকলৈ আঁকা ছবিৰে অতি কম সময়ৰ ভিতৰত প্ৰস্তুত কৰি উলিয়াইছোঁ। '**EUCALYPTUS**'-ক অতি কম সময়ৰ ভিতৰত সম্পূৰ্ণ কৰি তোলাত সহায় কৰা জুবিন অনুৰাগীসকলৰ লগতে, জৱাহৰলাল নেহৰু মহাবিদ্যালয় (স্বায়ত্তশাসিত), বকোৰ ছাত্ৰ-ছাত্ৰীসকলকো কৃতজ্ঞতা নিবেদিছোঁ। উক্ত আলোচনীখনত বিভিন্ন শিতানবোৰ শুৱনি কৰা লেখক-লেখিকা, চিত্ৰশিল্পী আৰু Technical গোটতোক আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ।

উক্ত আলোচনীখনে জুবিন অনুৰাগীৰ জুবিন দাৰ প্ৰতি থকা মৰম ভালপোৱাক পাঠকৰ মনত চিৰসেউজীয়া স্মৃতি সাঁচি ৰাখিব বুলি আশা ৰাখিলোঁ। ধন্যবাদ।

"জয় জুবিন দা"

অনন্যা দাস

Ex Jncian

সহ-সম্পাদিকা

CONTENTS

Poem

১ জুবিন দা যে নাই
◆ ছাফ্রীন চুলতানা — 2

২ যেতিয়া সুৰে কথা কয়
◆ মানিক দাস — 3

৩ এটি নাম, এটি যুগ
◆ দীক্ষিত বড়ো — 4

৪ জুবিন দাৰ ভাষাৰে
◆ ডিম্পী কৌৰ — 5

৫ জুবিন গার্গ
◆ নবজিত সন্যাসী — 6

৬ জুবিন গার্গ - এটি সুৰৰ অনন্ত যাত্রা
◆ দর্শনা মেধি — 7

৭ এটি সুৰৰ নাম - জুবিন
◆ কপিল মালো — 8

৮ সুৰ হৈ ৰ'বা তুমি
◆ প্রিয়ঙ্কা পায়েং — 9

৯ স্মৃতিৰ সুৰ
◆ ইন্দ্র কুমাৰ বড়ো — 10

১০ জুবিন গার্গ — এটি অমৰ সুৰ
◆ বনজিৎ কলিতা — 11

১১ ডাৱৰৰ সিপাৰে তুমি — চিমি মহন্ত — 12

১২ অভিশপ্ত ১৯ ছেপ্টেম্বৰ — ধীমান ডেকা — 13

১৩ ভিতৰে - বাহিৰে জুবিন গার্গ — দেৱীতা ৰাভা — 14

১৪ অভিশপ্ত ছেপ্টেম্বৰ — লীজা ৰাভা — 15

১৫ Zubeen Garg's Poem — *Dalimi Hazowari* — 16

১৬ মোৰ মৰমৰ জুবিন দা — মনমী ৰাভা — 17

১৭ জয় জুবিন দা — জয়ন্ত কলিতা — 18

১৮ স্মৃতিৰ মাজত তুমি — মুন্না কর্মকাৰ — 19

১৯ জুবিন দা — প্ৰীতম নাথ — 20

Article

1 আমাৰ হিয়াৰ আমঠু জুবিন দা — 22
- অঞ্জন জ্যোতি তামুলী

2 সমাজ, মানুহ আৰু ৰাজনীতিৰ প্ৰতি জুবিন গাৰ্গৰ দৃষ্টিভংগী — 23-28
- মানিক দাস

3 শেষ বুলিলেইতো শেষ নহয়, আকৌ আৰম্ভ হয়, শেষ নহয়। — 29
- অনন্যা দাস

4 **An Incomplete Dream** — 30-32
- *Nabajit Sanyashi*

5 **The Voice That Became a Civilization** — 33-39
- *Arjun Malo*

LETTERS

১ **শ্রদ্ধাঞ্জলি আৰু অনুৰাগৰ চিঠি** 41-42
- নিখিতা কলিতা

২ **মন যায় এবাৰ লগ পাবলে....** 43
- *Tanushree Devi*

ARTWORKS

১	Marshall Baruah	45
২	মৃণাল ৰাভা	46
৩	ৰফিকুল ইছলাম	47
৪	গীতার্থ মেধি	48
৫	Marshall Baruah	49
৬	জোনাকী দাস	50
৭	ধনজ্যোতি ৰাভা	51
৮	Arjun Malo	52

Zubeen Garg's Photo Album

1 Zubeen Garg: Among His People 54

2 Zubeen Garg on Stage 55

3 Zubeen Garg with Nature 56

4 Zubeen Garg with family 57

5 Zubeen Garg - Childhood 58

6 Zubeen Garg as Rebel 59

7 Zubeen Garg - Memorable Moments 60-62

POETRY

শব্দ • অনুভৱ • শ্রদ্ধাঞ্জলি

WHEN WORDS BECOME EMOTION

A collection of poems written in memory, admiration and love for the voice that touched generations.

স্মৃতি, শ্রদ্ধা আৰু ভালপোৱাৰ মাজেৰে জুবিন দাঁলৈ এক কাব্যিক শ্রদ্ধাঞ্জলি।

EDITOR

Manik Das

Editorial & Design

POETRY

জুবিন দা যে নাই

— ছাফীন চুলতানা।


এতিয়া যে জোনাকে ন মায়া নৰচে
এতিয়া যে ডাৱৰে ন খেলা নাপাতে,
ৰাতিবোৰ যে এতিয়া মায়া বিহীন, কাৰণ
তুমি পৃথিৱীৰ পৰা মাগিলা মেলানি...এতিয়া,

নিথৰ ৰাতি ভালপোৱাৰ শব্দ শুনিব তুমি নাই
মাজুলীৰ ছোৱালীজনীৰ দুখ চাব ও তুমি নাই,
কলীয়া মেঘে ঢাকিছে ধুনীয়া জোনৰ মুখনি,
যেন আকাশে সহিব পৰা নাই তুমি নোহোৱাৰ বাতৰি....

২০২৫ চনৰ ১৯ ছেপ্তেম্বৰ দিনটো এক কাহিনী
ৰুমালৰ ভাজে ভাজে আকৌ দুখৰ বিননি,
এতিয়া দিনো নজ্বলে,ৰাতিও নজ্বলে
ৰং দিয়া মৰম ৰং ভালপোৱাই ৰামধেনু নাসাজে

ধুমুহাৰ সতে যাৰ নাচোন বহু যুগৰ
যাৰ বাবে আন্ধাৰ আপোন বহু দিনৰ
তেওঁক নোৱাৰে নিয়তিয়ে কাঢ়ি নিব
অসমীয়া ৰ বুকুত তেওঁ সদায় আপোন হৈ ৰব

মন যায়,মন যায় চাগে তোমাৰো
উভতিব তোমাৰ অসমী আইৰ বুকুলৈ
তুমি উভতি অহালৈ বাট চাব অসমীয়াই
মৰমৰ জুবিন দাক আকৌ এবাৰ আদৰিবলৈ ।।



POETRY

যেতিয়া সুৰে কথা কয়

— মানিক দাস

গানৰ মাজেৰে তেওঁ ক'লে
দেশখনক চোৱা,
চকু মেলি চোৱা—
কোনে হাঁহে, কোনে কান্দে,
কোনে পায় অধিকাৰ,
কোনে হেৰুৱায় আশা।

মাটিৰ প্ৰতি মৰম থাকক,
ভাষাৰ প্ৰতি টান,
নিজৰ শিপা পাহৰি গ'লে
হেৰাব আপোন প্ৰাণ।

জাত-ধৰ্মৰ দেৱাল ভাঙি
জ্বলক মিলনৰ জ্যোতি,
ভিন্নতাৰ মাজত বিচাৰি লওঁ
সহমৰ্মিতাৰ গতি।

ক্ষমতাৰ চকুত চকু থৈ
ক'ব লাগে সঁচা কথা,
ভয়ৰ সম্মুখত নত নহৈ
সত্যৰ পথতে আগবঢ়া।

CAA-ৰ সময়ত উঠিল মাত,
প্ৰতিবাদে তুলিলে ৰাগ,
নিজৰ অধিকাৰৰ কথা
ক'বলৈ
ভয়ৰ বিৰুদ্ধে ল'লে ভাগ।

তৰুণৰ সপোন নাভাঙক,
নহওক জীৱন ক্ষয়,
অশান্তিৰ মাজতো বিচাৰোঁ
শান্তিৰেই পৰিচয়।


ৰাজনীতি তেওঁৰ পেছা নহয়,
তথাপি আছিল মাত,
জনতাৰ জীৱনৰ কথাত
নীৰৱ নাছিল কেতিয়াও তাত।

প্ৰতিটো সুৰে তেওঁৰ
জগাই তোলে প্ৰাণ,
সময়ৰ বুকুত ৰৈ যায়
এটি অমলিন গান।

তেওঁৰ গানে সুধিছিল
নীৰৱতাৰ ভাষা,
মানুহৰ মাজত বিচাৰিছিল
এটি অকৃত্ৰিম আশা।

সুৰ থমকি গ'লেও
নোহোৱা নহ'ব চিন,
সময়ৰ বুকুত জ্বলি থাকিব
এটি পোহৰ অমলিন।

——



POETRY

এটি নাম, এটি যুগ

– দিক্ষিতা বড়ো

জুবিন দা,
তুমি কেৱল এটি নাম নহয়–
তুমি অসমীয়া হৃদয়ৰ
এটি চিনাকি সুৰ।

তোমাৰ গীতত
হাঁহিছিল আমাৰ সপোন,
কান্দিছিল আমাৰ অভিমান,
আৰু জীপাল হৈছিল
আমাৰ অসমীয়া পৰিচয়।

“লাহে দেই”, “মায়াবিনী”, “ৰুমাল”, “বন্ধু”–
তোমাৰ প্ৰতিটো সুৰেই যেন
আমাৰ হৃদয়ত এৰি গ’ল
এটি অমৰ স্মৃতি।

সময় সলনি হ’ব,
প্ৰজন্ম সলনি হ’ব,
কিন্তু তোমাৰ সুৰ
কেতিয়াও ম্লান নহ’ব।

জুবিন দা,
তুমি কেৱল এজন গায়ক নহয়,
তুমি অসমীয়া আত্মাৰ
এটি জয়ধ্বনি।
মৃত্যুৰো ঊৰ্ধ্বত
অমৰ তুমি।।

––



POETRY

জুবিন দাৰ ভাষাৰে

— ডিম্পী কৌৰ

এইখন আমাৰ পৃথিৱী,
আজি কিয় সলনি হৈছে তাই?
প্ৰকৃতিৰ বুকুত ধুমুহা উঠে,
মানুহৰ মনত ভয়ৰ ছাঁ পৰি যায়।
ইপিনে নেপালত বানৰ তাণ্ডৱ,
সিপিনে অগ্নেয়গিৰিৰ জুই,
ক'ৰবাত ভূমিকম্পে কঁপাই মাটি,
ক'ৰবাত বৰষুণে নিয়ে ধুই।

আমাৰ অসমতো বানপানী নতুন নহয়,
ব্ৰহ্মপুত্ৰৰ বুকুত তাৰ চিন;
যোৰহাট–শিৱসাগৰতো দেখিলোঁ
প্ৰকৃতিৰ কঠিন দিন।

এইবোৰ সময়ৰ খেলা নে,
নে আমাৰ ভুলৰ পৰিণাম?
বন কাটি, নদী ভৰাই
কলুষিত কৰিছোঁ ধৰণী-মাতৃৰ প্ৰাণ।

আৰু কিমান দুৰ্যোগ লাগিব,
আৰু কিমান সতৰ্কবাণী?
জাগিব নে মানুহৰ বিবেক,
শুনিব নে পৃথিৱীৰ বিননী?

লোভেই আজি মহাশত্ৰু আমাৰ,
প্ৰকৃতিক দিব লাগিব সন্মান;
গছ ৰোপণ, বন সংৰক্ষণে
সেউজীয়া হওক ধৰণী মহান।

বিনাশ নহওক এই সুন্দৰ পৃথিৱী,
সুৰক্ষিত হওক আমাৰ ভৱিষ্যৎ;
আহা, হাতত হাত ধৰি আগবাঢ়োঁ—
পৃথিৱী বচাওঁ, জীৱন বচাওঁ,
সেউজীয়া হওক আমাৰ ধৰণী।

——

POETRY

জুবিন গার্গ

— নবজিত সন্ন্যাসী

জুবিন কোন?
জুবিন, যিয়ে আকাশ চুব চায়,
জুবিন, যিয়ে মাটিক চিনি পায়।

জুবিন মানে সহায়ৰ হাত,
জুবিন মানেই জনতাৰ মাত।
জুবিন গীতেৰে ৰ'দালি পুৰা,
জুবিন গীতেৰেই তৰালি নিশা।
জুবিন সুৰেৰে গুৰুৰ নাম,
জুবিন সুৰতেই প্ৰেমৰ গান।

জুবিন মানে বিপ্লৱৰ গীত,
জুবিন মানেই একতাৰ প্ৰতীক।
জুবিন মানে প্ৰকৃতিপ্ৰেমী,
জুবিন মানে অন্যায়ৰ বৈৰী,
জুবিন মানেই মানৱতাৰ সুৰ।

লুইতৰ ঢৌৰে গায় নাম যাৰ,
তেৱেঁই ঈশ্বৰপুত্ৰ, তেৱেঁই জুবিন গার্গ।
——

POETRY

জুবিন গার্গ—এটি সুৰৰ অনন্ত যাত্রা

— দৰ্শনা মেধি (মৰিগাওঁ)

ব্ৰহ্মপুত্ৰৰ ঢৌত
আজিও যেন এটি সুৰ বাজে,
সেউজীয়া পথাৰৰ মাজেৰে
বতাহে কঢ়িয়াই আনে
এজন শিল্পীৰ চিনাকি মাত।

সেই মাততে আছে মাটিৰ
গোন্ধ,
বৰষুণৰ কোমলতা,
সেউজীয়া পথাৰৰ মাজেৰে
বতাহে কঢ়িয়াই আনে
এজন শিল্পীৰ চিনাকি মাত।

সেই মাততে আছে মাটিৰ
গোন্ধ,
বৰষুণৰ আকাশৰ বিশালতা
আৰু অসমীয়া হৃদয়ৰ
হাজাৰটা নোকোৱা কথা।

জুবিন—
এটি নাম নহয় মাথোঁ,
এটি অনুভৱৰ নাম।
যাৰ সুৰত কেতিয়াবা
হাঁহি ফুলে,
কেতিয়াবা নিৰৰ চকুত
এটোপাল অনুভৱৰ জন্ম লয়।

তেওঁৰ গানত
চহৰৰ ব্যস্ততা আৰু
গাঁৱৰ নিৰৱতা
একে আকাশৰ তলত মিলি
যায়।
এটি সুৰে
অচিনাকি মানুহকো
আপোন কৰি তোলে।

সময় আগবাঢ়িব,
খোজ সলনি হ'ব,
নতুন প্ৰজন্ম আহিব—
কিন্তু কিছুমান সুৰ
সময়ৰ সৈতে পুৰণি নহয়;
বৰং স্মৃতিৰ বুকুত
আৰু গভীৰ হৈ ৰয়।

জুবিন দা,
তুমি সুৰৰে আঁকা
অসমৰ এখন জীৱন্ত ছবি—
য'ত ব্ৰহ্মপুত্ৰ আছে,
বৰষুণ আছে, প্ৰেম আছে,
আৰু আছে
এখন সৰল হৃদয়ৰ
নিজৰ মাটিৰ প্ৰতি ভালপোৱা।

এদিন হয়তো
মঞ্চৰ পোহৰ নুমাই যাব,
শ্ৰোতাৰ হাতৰ তালি থমকি
ৰ'ব;
কিন্তু তোমাৰ সুৰ
বতাহৰ দৰে বৈ থাকিব

গাঁৱৰ কোনো নিৰৰ সন্ধিয়াত,
কোনো অকলশৰীয়া মনত,
কোনো প্ৰেমিকৰ অপেক্ষাত,
আৰু অসমীয়া মানুহৰ
হৃদয়ৰ একেবাৰে গভীৰত।

জুবিন দা—
তুমি এটি গান নহয়,
তুমি অসমে অনুভৱ কৰা
এটি অনন্ত সুৰ।
——

POETRY

এটি সুৰৰ নাম – জুবিন

– কপিল মালো (বকো, কামৰূপ)

সুৰৰ আকাশত এটি তৰা,
আজিও জ্বলি থাকে নিৰৱে,
তোমাৰ কণ্ঠৰ সেই চিনাকি সুৰে
অসমক জগাই তোলে প্ৰতিটো পুৱাতে।

গীত কেৱল গীত নাছিল তোমাৰ,
আছিল অনুভৱৰ এখন পৃথিৱী,
কেতিয়াবা হাঁহিৰ, কেতিয়াবা
বিষাদৰ,কেতিয়াবা বুকুত জাগি উঠা
এটি নীৰৱ প্ৰেমৰ কাহিনী।

ব্ৰহ্মপুত্ৰৰ ঢৌৰ দৰে
তোমাৰ সুৰ বৈ গৈছিল দূৰলৈ,
পাহাৰৰ পৰা পথাৰলৈ,
গাঁৱৰ পৰা চহৰলৈ–
অসমৰ হৃদয়ৰ পৰা
সমগ্ৰ পৃথিৱীলৈ।

তুমি গাইছিলা মাটিৰ কথা,
মানুহৰ কথা, সপোনৰ কথা;
তোমাৰ প্ৰতিটো সুৰত যেন
অসমে নিজকে বিচাৰি পাইছিল
এটি নতুন ৰূপত।

সময় আগবাঢ়িব,
ঋতু সলনি হ'ব,
কিন্তু কিছুমান কণ্ঠ
কেতিয়াও নীৰৱ নহয়–
কাৰণ সেয়া কেৱল কণ্ঠ নহয়,
সেয়া হৈ পৰে
এটা জাতিৰ স্মৃতি।

জুবিন, তোমাৰ সুৰ থাকিব,
থাকিব মানুহৰ ওঁঠত,
থাকিব অসমৰ আকাশত–বতাহত,
আৰু প্ৰতিটো প্ৰজন্মৰ হৃদয়ত
এটি চিনাকি অনুভূতি হৈ ।

জুবিন–
তুমি এটি নাম নহয়,
অসমৰ বুকুত
চিৰদিন বাজি থকা
এটি অনন্ত সুৰ।

——

POETRY

সুৰ হৈ ৰ’বা তুমি

— প্ৰিয়ঙ্কা পায়েং (ধেমাজি কলেজ)

আজি এটা বছৰ হ’ল
তুমি আমাক এৰি যোৱা
কেলেণ্ডাৰত এটা বছৰ বাগৰিল,
কিন্তু আমাৰ বুকুত এতিয়াও কালিৰ দৰেই ।

১৯ ছেপ্টেম্বৰ,২০২৫.....
সেই ক’লা দিনটো কোনেও পাহৰা নাই ।
ছিংগাপুৰৰ পৰা অহা বাতৰিটোৱে গোটেই
অসমখনকে কন্দোৱাই দিছিল ।
এটা বছৰত কি হ’ল?
একো নাই...
তোমাৰ ফটোখন এতিয়াও প্ৰতিটো দেৱালত,
তোমাৰ গান এতিয়াও প্ৰতিটো মোবাইলত
তোমাৰ নাম এতিয়াও প্ৰতিটো হিয়াত।

আমি ভাবিছিলো সময়ে পাহৰাই দিব,
কিন্তু সময়ে বুজাই দিলে
কিছুমান মানুহক পাহৰিব নোৱাৰি,
কিছুমান মাত কেতিয়াও নিমাত নহয়।।

আমি চাকি জ্বলাইছো,
ফুল দিছো,
কিন্তু তাতকৈ বেছি,
তোমাৰ গানবোৰ আকৌ এবাৰ শুনিছোঁ।

কাৰণ তুমি কৈছিলা
“জীৱনটো গানেৰে জীয়াব লাগে”।।।

তুমি শান্তিত থকা জুবিন দা,
আমি আছো তোমাৰ অসমক লৈ ।
তুমি দি যোৱা সপোনবোৰে
আমি পূৰণ কৰিম ।
তোমালৈ শত কোটি প্ৰণাম।
অমৰ হওক তুমি।।।।
১৯ ছেপ্টেম্বৰ এটা দিন নহয়, এটা ক্ষত ।।।।
——

POETRY

স্মৃতিৰ সুৰ

— ইন্দ্ৰ কুমাৰ বড়ো

স্কুলীয়া কালৰ পৰা কলেজীয়া দিনলৈ,
ৰেডিঅৰ সম্মুখত বহি তেওৰ গানৰ অপেক্ষাত
ৰৈ থকা সেই সময়বোৰ –
কেতিয়াবা ৰেডিঅত বাজি উঠা
"'মায়াবিনী ৰাতিৰ বুকু '"
আৰু কেতিয়াবা
"প্ৰতিদিনে তুমি আহি দিয়া এপাহি ফুল",
ৰেডিঅৰ পৰা ভাঁহি অহা সেই চিনাকি সুৰে
কেতিয়া যেন আমাৰ যৌৱনৰ লগৰী হৈ
পৰিল।
এতিয়া পিছলৈ ঘূৰি চালে,
সেই দিনবোৰেই হৈ ৰল এটি মিঠা স্মৃতি।

স্কুলীয়া দিনৰ সেই সৰু সৰু বাটবোৰ
কলেজলৈ যোৱা সেই ব্যস্ত দিনবোৰ –
এতিয়াও কিমান কথাৰ সাক্ষী তেওৰ গানবোৰ।

সময় সলনি হ'ল –
ৰেডিঅৰ ঠাইত নতুন নতুন প্ৰযুক্তিৰ
আৱিষ্কাৰ হ'ল
গান শুনাৰ পদ্ধতি সলনি হ'ল,
মানুহ যান্ত্ৰিকতাৰ মাজত বুৰ গ'ল
কিন্তু সলনি নহ'ল তেওৰ গানৰ প্ৰতি থকা
ৰাপ।

আজিও কেতিয়াবা যদি
তেওৰ গান হঠাতে বাজি উঠে,
মনৰ ভিতৰৰ পৰা সেই
স্কুলীয়া জীৱনৰ কণমানিটোলৈ মনত পৰে

"শুনিছানে"
তেও আকৌ গান গাইছে"।
——

POETRY

জুবিন গার্গ – এটি অমৰ সুৰ

– বনজিৎ কলিতা

এদিন নীৰৱ হ'ব কণ্ঠ
নীৰৱ হ'ব মঞ্চৰ চিনাকি সুৰ
কিন্তু নীৰৱ নহ'ব কেতিয়াও
তোমাৰ গানে জগোৱা আমাৰ অনুভৱ।

তুমি কেৱল গান গোৱা নাছিলা
গানৰ মাজেৰে কথা কৈছিলা–
প্ৰেমৰ, বেদনাৰ
আৰু অসমৰ মাটি-মনৰ কথা।

তোমাৰ সুৰত আছিল
অসমৰ সেউজীয়া প্ৰকৃতি
বৰষুণৰ টোপাল
আৰু মানুহৰ হৃদয়ৰ অনুভৱ।

"মই অন্ধ নহয়, মই এজন শিল্পী"–
এই কথাৰ মাজতেই যেন
লুকাই আছে তোমাৰ পৰিচয়
শিল্পী হিচাপে তুমি
মানুহৰ হৃদয়কেই নিজৰ মঞ্চ কৰি লৈছিলা।

"ফুলবোৰ ছিণ্ডি নিদিবা,
গছবোৰে বহুত কষ্ট পায়"–
এনেকুৱা সৰু কথাতো
তোমাৰ হৃদয়ৰ কোমলতাই
নীৰৱে কথা কৈ যায়।

'ৰৈ ৰৈ বিনালে'ৰ সেই
সেই চৰিত্ৰ, সেই সুৰ–
আজি যেন ছবিৰ পৰ্দা পাৰ হৈ
এটা স্মৃতি হৈ ৰৈ গ'ল।

সময় আগবাঢ়িব
নতুন গান আহিব
নতুন শিল্পী আহিব
কিন্তু কিছুমান সুৰ
সময়ৰ লগত পুৰণি নহয়।

জুবিন দা,
তুমি কেৱল এজন শিল্পী নাছিলা–
তুমি আছিলা এটা যুগৰ কণ্ঠ
এটা প্ৰজন্মৰ অনুভৱ
আৰু অসমৰ হৃদয়ত বাজি থকা
এটি অমৰ সুৰ।

——

POETRY

ডাৱৰৰ সিপাৰে তুমি

— চিমি মহন্ত

আকাশলৈ চালেই
আজি ডাৱৰৰ মাজত
তোমাক বিচাৰি ফুৰোঁ...
মনে হয়,
সেই চিনাকি হাঁহিটো লৈ তুমি যেন
আকাশৰ সিপাৰে বৈ আছা ।
বতাহে যেতিয়া লাহে লাহে বয়,
কাণত যেন ভাহি আহে
তোমাৰ সেই চিনাকি সুৰ...
দাদা,
তুমি আঁতৰি গ'লেও তোমাৰ
গান আৰু স্মৃতিবোৰ আমাৰ হৃদয়ৰ পৰা
কেতিয়াও আঁতৰি নাযাব।
অসমৰ আকাশত তোমাৰ সুৰ
চিৰদিন ডাৱৰৰ দৰে ভাহি থাকিব... .

——

POETRY

অভিশপ্ত ১৯ ছেপ্টেম্বৰ

— ধীমান ডেকা (বকো)

কিয় গুচি গ'লা তুমি,
অসমবাসীক কন্দুৱাই?
তোমাৰ সুৰতেই মানুহে
বিচাৰি পাইছিল প্ৰকৃতিৰ অনুভৱ।

সাগৰৰ তলিত শুবৰে মন
গান গাই গাই শেষত তুমি
সঁচাকৈয়ে গুচি গ'লা,
এৰি গ'লা অগণন স্মৃতি।

কাঞ্চনজংঘা ছবিৰ জৰিয়তে
দিছিলা এই মহান বাৰ্তা—
"মোৰ কোনো ধৰ্ম নাই,
মোৰ কোনো জাতি নাই।'


তোমাৰ কণ্ঠ নীৰৱ হ'লেও,
নীৰৱ নহ'ব তোমাৰ সুৰ
অসমৰ মাটি আৰু মানুহৰ হৃদয়ত
চিৰদিন বাজি থাকিব সেই সুৰ।

——

POETRY

ভিতৰে –বাহিৰে জুবিন গাৰ্গ।


– দেবীতা বাভা



POETRY

অভিশপ্ত ছেপ্টেম্বৰ।

— লীজা বাভা




ছেপ্টেম্বৰ প্ৰথম দিনটোতেই
মনটোৱে আকৌ এবাৰ সুধিলে
কিয় আহিলা তুমি ইমান বিষাদ লৈ ?
এই মাহটো আহিলেই
আকাশখন কিয় জানো কান্দিবলৈ ধৰে
হয়তো আকাশেও বুজে
এই মাহতেই দেশে হেৰুৱাইছিল
সৰ বুকুৰ আগইচাকৈ আপোন সুফৈ ।
চকু সিচন্তে পৰা
বৰষুণৰ প্ৰতিটো টোপালত
মই যেন হেৰাই যোৱা এটি সুৰ
প্ৰতিধ্বনি শুনিবলৈ পাঁও....
মেঘৰ প্ৰতিটো গাজনিত
অনুভৱ কৰো সেই আপোন মাতটোৰ
ধীৰৰ অধৰৰ ।
অভিশপ্ত ছেপ্টেম্বৰ
তুমি কেৱল এটা মাহ নহয়,
তুমি এটিয়া
এটা বিষাদৰ নাম ।

নাম- লীজা বাভা
শ্ৰেণী – ২ (A.S)
ৰোল:- ৭

POETRY

Zubeen Garg's Poem

– Dalimi Hazowari



[Name ⇒ Dalimi Hazowary
class-VIII B.d. Roll No-5]

ZUBEEN GARGS POEMS

Issus: Vol IV. No 3 November - January 2025-26

Winter,
Winter is said to be a season of sorrow

who says so
I don't believe at all
I'd accept it
only if it can burning out my tears
By consoling my inmost grief
That imples my heart.


You,
For poet himen bhattacharya
You're endless
You're luminous
You've your beginning
Where the world reaches its end
The path of reversion in to apes
In memory of the Boltola incident—

To day i beheld natures new form
I beheld mankinds naked reality
I discovered within myself
The incorporeal footprints of the soul
Humans give birth to humans
At all times humans extirpate humans
This is incontrovertible
But from on mind to another
From one life to another
From one brain to another
Theres a string in between
That keep the future of the world bound
If we can touch the string
We turn into God
If not we turn into sat an
Perhaps were on the path reversion
Back into apes.

POETRY

মোৰ মৰমৰ জুবিন দা।

— মনমী বাভা



মোৰ মৰমৰ জুবিন দা


মৰমৰ জুবিন দা,
নাই মোৰ বা।
তোমাক আপোনাতে,
দেখি থাকো তোমাৰ মাতে।
তোমাৰ গান,
হয় যায় মোৰ প্ৰাণ।
তোমাক দিব লগা আছে বহু খিণ,
তথাপিও তুমি আমাৰ জুবিন দা।
মৌসনা জীবনৰ এৰা মাৰ কথা,
বেথাৰ মাজতে মনত পৰে তোমাৰ কথা,
মোৰ আপোনৰ হৃদয়েই প্ৰাণ,
হৰি'ওৱা জুবিন দা তুমি মোৰ জান।
তোমাৰ গীতে যেন মোৰ শিৰে-শিৰে,
নামিছে মোৰ দেহত ধীৰে-ধীৰে।
নাযাবা নাযাবা জুবিন দা মোৰ পৰা আঁতৰিলে,
সুখে-দুখে মই নাপাহৰোঁ মই তোমাৰ কথা জীবিলে

নাম - মনমী বাভা
শ্ৰেণী - দশম

POETRY

জয় জুবিন দা।

— জয়ন্ত কলিতা (বকো)



POETRY

স্মৃতিৰ মাজত তুমি

— মুন্না কৰ্মকাৰ (কামৰূপ,অসম)

নীৰৱ আকাশৰ তলত
আজিও তোমাৰ সুৰ শুনা যায়,
তুমি নথকাৰ শূন্যতাই
হৃদয়খন নীৰৱে কন্দুৱাই।

তুমি কেৱল শিল্পী নাছিলা,
তুমি আছিলা অসমৰ এটি অনুভৱ,
তোমাৰ গীতে শিকাই গ'ল
জীৱনৰ সুখ-দুখক সুৰত আঁকিবলৈ।

তোমাৰ সেই 'মায়াবিনী' গানে
আজিও আৱেগিক কৰি তোলে
প্ৰতিজন অসমীয়াৰ হৃদয়,
জগাই তোলে পুৰণি স্মৃতিৰ ঢৌ।

সুৰবোৰ বাজি উঠিলেই
মনত পৰে তোমাৰ
সেই মায়াভৰা কণ্ঠ,
আৰু চকুৰ কোণত নীৰৱে
জমা হয় এটোপাল অশ্ৰু।

সময় পাৰ হৈ যায়,
দিনবোৰ সলনি হয়,
কিন্তু তোমাৰ গান শুনিলেই
সেই সোণালী স্মৃতিবোৰ
আকৌ মনত পৰি যায়।

তুমি দূৰত নহয়, তুমি আছা
প্ৰতিটো সুৰত, প্ৰতিটো স্মৃতিত,
আৰু হৃদয়ৰ গভীৰতম কোণত।
চিৰদিনলৈ,
যুগ-যুগন্তৰলৈ...
——

POETRY

জুবিন দা

— প্ৰীতম নাথ, ধুবুৰী

হৃদয়ৰ নিভাজ কোণত যাৰ সুৰৰ বাস,
প্ৰতিটো উশাহত যাৰ গানৰ উন্মাদনা
তুমি সেই অজান পথিক, সুৰৰ যাদুগৰ,
যাৰ কণ্ঠত প্ৰাণ পায় হাজাৰজনৰ হেঁপাহ।
কেতিয়াবা যদি 'অনামিকা'ৰ বিৰহী সুৰ,
কেতিয়াবা আকৌ 'মায়া'ৰ মায়াবী দাপোণ
দুখৰ চকুলোতো তুমি, সুখৰ হাঁহিতো তুমি,
বুকুৰ আপোন তুমি, আমাৰ জুবিন দা।
নিশাৰ নিস্তব্ধতাত বাজি উঠে তোমাৰ সুৰ,
হতাশাত যোগোৱা তুমি সাহসৰ প্ৰেৰণা।
অসমীয়াৰ চেনেহৰ তুমি এক অনন্য ঠিকনা,
লুইতৰ পাৰৰ তুমি এক চিৰকালৰ জুইকুৰা।
তুমি শিকাইছা গান গাবলৈ, তুমি শিকাইছা জীয়াবলৈ,
তুমি শিকাইছা অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ।
যুগ যুগান্তৰলৈ বাজি থাকক তোমাৰ গান,
তুমি আমাৰ গৌৰৱ, তুমি আমাৰ প্ৰাণ।

——

ARTICLES

কথা • স্মৃতি • সুৰ

WORDS THAT KEEP
THE VOICE ALIVE

A collection of reflections, memories and voices from the people who carry his music forward.

EDITOR

Kapil Malo

Editorial & Design

21

আমাৰ হিয়াৰ আমঠু জুবিন দা

> *কেতিয়াবা এজন শিল্পীৰ*
> *কণ্ঠ গানতকৈও ডাঙৰ হৈ*
> *এটা প্ৰজন্মৰ স্মৃতি হৈ পৰে।*

জুবিন গাৰ্গৰ নাম শুনিলেই মনত পৰে এজন আপোন মানুহৰ কথা। তেওঁৰ গান শুনি ডাঙৰ হোৱা আমাৰ প্ৰজন্মৰ বাবে জুবিন দা কেৱল এজন গায়ক নাছিল, তেওঁ আছিল নিজৰ পৰিয়ালৰে এজন সদস্যৰ দৰে আপোন। ১৯৯২ চনত প্ৰকাশ পোৱা 'Anamika'-ৰ জৰিয়তে তেওঁ অসমীয়া সংগীত জগতত নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিছিল।

বিহুৰ উল্লাস, প্ৰেম অথবা জীৱনৰ কঠিন সময়ত তেওঁৰ গীতে মানুহৰ মন চুই গৈছিল। 'Ya Ali'-ৰ দৰে গীতে তেওঁৰ কণ্ঠক অসমৰ বাহিৰতো চিনাকি কৰি তুলিছিল। ৰাস্তাত নিৰ্যাতনৰ সন্মুখীন হোৱা কাজলীক নিজৰ কন্যা হিচাপে আঁকোৱালি লোৱাৰ সিদ্ধান্তই তেওঁৰ মানৱীয় মনৰ পৰিচয় দিছিল। অসহায় মানুহৰ কাষতো তেওঁ সদায় থিয় দিছিল।

২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত তেওঁৰ মৃত্যুৰ খবৰে অসমবাসীৰ লগতে অগণন অনুৰাগীৰ মনত গভীৰ বেদনা কঢ়িয়াই আনিছিল। শেষ বিদায়ৰ সময়ত হাজাৰ হাজাৰ মানুহ সমবেত হৈছিল। সেই দৃশ্যই যেন আকৌ এবাৰ দেখুৱাই দিলে জুবিন দা কেৱল এজন শিল্পী নাছিল, তেওঁ আছিল অসমীয়াৰ হিয়াৰ আমঠু। তেওঁৰ গীতত আজিও জীয়াই আছে বহু স্মৃতি।

"তেওঁ কেৱল এজন শিল্পী নাছিল; তেওঁ আছিল অসমীয়াৰ হিয়াৰ আমঠু।"

লিখনি
অঞ্জন জ্যোতি তামুলী
জৱাহৰলাল নেহৰু মহাবিদ্যালয় (স্বায়ত্বশাসিত), বকো
জিলা: কামৰূপ

সমাজ, মানুহ আৰু ৰাজনীতৰ প্ৰতি জুবিন গাৰ্গৰ দৃষ্টিভংগী

এজন শিল্পীৰ কণ্ঠ আৰু সমাজ :

জুবিন গাৰ্গৰ পৰিচয় কেৱল এজন গায়ক, সংগীত পৰিচালক বা অভিনেতাৰ পৰিচয়ত সীমাবদ্ধ নাছিল। তেওঁৰ শিল্পীসত্তাৰ সৈতে সমাজ আৰু সময়ক লৈ থকা এক গভীৰ সংবেদনশীলতাও জড়িত আছিল। তেওঁ যেতিয়া গান গাইছিল, তেতিয়া সেই গান কেৱল মনোৰঞ্জনৰ বাবে নাছিল; বহু সময়ত তাত মানুহৰ জীৱন, সমাজৰ দ্বন্দ্ব, পৰিচয়, ভালপোৱা, প্ৰতিবাদ আৰু আশাৰ প্ৰতিচ্ছবি দেখা গৈছিল।

তেওঁৰ ৰাজহুৱা বক্তব্য আৰু সামাজিক কাৰ্যকলাপতো সাধাৰণ মানুহৰ প্ৰতি এক বিশেষ সংযোগ দেখা গৈছিল। সমকালীন লেখাসমূহত তেওঁক অসমৰ বিভিন্ন সামাজিক আৰু অৰ্থনৈতিক স্তৰৰ মানুহৰ মাজত এক সংযোগ স্থাপন কৰা সাংস্কৃতিক ব্যক্তিত্ব হিচাপে বৰ্ণনা কৰা হৈছে।

“নিজানৰ গান মোৰ শেষ হ’ব ভাবোঁ তোমাৰ বুকুত”

এই পংক্তিৰ মূল প্ৰেক্ষাপট প্ৰেমৰ হ’লেও, ইয়াৰ ভিতৰত থকা “গান” আৰু “মানুহৰ বুকু”ৰ সম্পৰ্কটোৱে জুবিনৰ শিল্পীসত্তাৰ এক বহল অৰ্থও বহন কৰে—এজন শিল্পীৰ কণ্ঠ শ্ৰোতা মানুহৰ মাজতেই জীয়াই থাকে। গীতটোৰ সৈতে তেওঁৰ ব্যক্তিগত সংযোগৰ কথাও তেওঁ নিজেই প্ৰকাশ কৰিছিল।

একতাৰ সন্ধানত এটি কণ্ঠ:

জুবিনৰ সামাজিক দৃষ্টিভংগীৰ এটা গুৰুত্বপূৰ্ণ দিশ আছিল মানুহক বিভাজন কৰি চোৱাৰ প্ৰতি অনীহা। ধৰ্ম, জাতি বা পৰিচয়ৰ পাৰ্থক্যৰ সলনি মানুহৰ মাজৰ মিল বিচৰাটো তেওঁৰ ৰাজহুৱা বক্তব্যৰ এক উল্লেখযোগ্য অংশ আছিল।

২০২৪ চনত CAA সন্দর্ভত মত প্রকাশ কৰোঁতে তেওঁ অসমত হিন্দু-মুছলমান বিভাজনৰ কোনো স্থান থকা উচিত নহয় বুলি স্পষ্ট কৰিছিল। এই বক্তব্যই তেওঁৰ সামাজিক চিন্তাত সম্প্রীতি আৰু একতাৰ গুৰুত্বক প্রতিফলিত কৰে।

তেওঁৰ এই দৃষ্টিভংগীক কেৱল ৰাজনৈতিক বক্তব্য হিচাপে নাচাই, তেওঁৰ সামগ্রিক শিল্পীসত্তাৰ সৈতেও সংযোগ কৰিব পাৰি। তেওঁৰ সংগীতে বিভিন্ন প্রজন্ম, শ্রেণী আৰু সম্প্রদায়ৰ মানুহক একেলগে আকর্ষণ কৰিছিল। তেওঁৰ মৃত্যুৰ পাছতো বিভিন্ন সামাজিক আৰু ৰাজনৈতিক পটভূমিৰ মানুহৰ মাজত সৃষ্টি হোৱা সামূহিক শোকৰ কথাও বিভিন্ন বিশ্লেষণত উল্লেখ কৰা হৈছে।

“মায়া মায়া মাথোঁ মায়া”

“মায়া” মূলতঃ প্রেম আৰু অনুভূতিৰ গান। তথাপিও ইয়াৰ সৰল, আৱেগিক ভাষাই জুবিনৰ সংগীতৰ সেই দিশটো মনত পেলাই দিয়ে যিয়ে মানুহক মানুহৰ সৈতে সংযোগ কৰিছিল।

পৰিচয়ৰ প্রশ্ন আৰু অসম:

জুবিনৰ সামাজিক চিন্তাক অসমৰ সাংস্কৃতিক পৰিচয়ৰ পৰা পৃথক কৰি চাব নোৱাৰি। তেওঁৰ সংগীতত অসমীয়া ভাষা, লোকসংগীত, বিহু, পৰম্পৰাগত বাদ্য আৰু আধুনিক সংগীতৰ এক অনন্য সংমিশ্রণ দেখা গৈছিল। গৱেষণামূলক আৰু সাংস্কৃতিক বিশ্লেষণসমূহতো তেওঁৰ সংগীতক অসমীয়া সাংস্কৃতিক পৰিচয়ৰ এক শক্তিশালী মাধ্যম হিচাপে আলোচনা কৰা হৈছে।

কিন্তু তেওঁৰ অসম-চিন্তা কেৱল সংস্কৃতি সংৰক্ষণৰ মাজতে সীমাবদ্ধ নাছিল। পৰিচয়ৰ প্রশ্ন তেওঁৰ বাবে মানুহ, মাটি, ভাষা আৰু সামাজিক অধিকাৰৰ সৈতে জড়িত আছিল।

এই কাৰণেই তেওঁৰ সংগীতত একে সময়তে পৰম্পৰা আৰু আধুনিকতা, স্থানীয়তা আৰু বিশ্বজনীনতা—দুয়োটা ধাৰা একেলগে দেখা যায়।

ৰাজনীতিৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী:

জুবিন কোনো নিৰ্বাচিত ৰাজনীতিবিদ নাছিল। তথাপিও ৰাজহুৱা বিষয়ত নিজৰ মত প্ৰকাশ কৰিবলৈ তেওঁ কেতিয়াও পিছপৰি নাছিল।

বিশেষকৈ অসমৰ পৰিচয় আৰু নাগৰিকত্বৰ প্ৰশ্নত তেওঁৰ অৱস্থান স্পষ্ট আছিল। ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী বিধেয়ক (Citizenship Amendment Bill) ৰ বিৰুদ্ধে তেওঁ মুক্তকণ্ঠে মত প্ৰকাশ কৰিছিল আৰু প্ৰতিবাদতো অংশ লৈছিল। সেই সময়ত তেওঁ "পলিটিক্স নকৰিবা বন্ধু" গানটোৰ জৰিয়তে ৰাজনৈতিক ক্ষমতাৰ সমালোচনা কৰাৰ লগতে মানুহক শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিকভাৱে প্ৰতিবাদ কৰিবলৈ আহ্বান জনাইছিল।

"পলিটিক্স নকৰিবা বন্ধু"

এই শিৰোনামাটোৱেই তেওঁৰ ৰাজনীতি সম্পৰ্কীয় এক জটিল বাৰ্তা বহন কৰে। গানটো কেৱল ৰাজনীতিৰ পৰা আঁতৰি থকাৰ আহ্বান হিচাপে চাব নোৱাৰি; ইয়াত ক্ষমতাৰ, ৰাজনীতি আৰু সাধাৰণ মানুহৰ স্বাৰ্থৰ মাজৰ সংঘাতক লৈ সমালোচনাৰ সুৰো আছিল। সেই সময়ৰ সংবাদ প্ৰতিবেদনসমূহে গানটোক ৰাজ্যৰ স্বাৰ্থক ৰাজনৈতিক লাভৰ বাবে ত্যাগ কৰাৰ বিৰুদ্ধে এক বক্তব্য হিচাপে বৰ্ণনা কৰিছিল।

CAA : শিল্পীৰ পৰা নাগৰিকলৈ:

নাগৰিকত্ব সংশোধনী আইন (Citizenship Amendment Act) বিৰোধী আন্দোলন জুবিনৰ ৰাজহুৱা জীৱনৰ অন্যতম স্পষ্ট ৰাজনৈতিক অধ্যায়।

২০২৪ চনতো তেওঁ CAA-ৰ বিৰুদ্ধে নিজৰ অৱস্থান পুনৰ প্ৰকাশ কৰিছিল। তেওঁ কৈছিল যে তেওঁ বিভিন্ন মঞ্চত নিজৰ ধৰণে প্ৰতিবাদ অব্যাহত ৰাখিব আৰু বিষয়টোৰ বিৰুদ্ধে আইনী যুঁজ চলাই নিয়াৰ কথাও উল্লেখ কৰিছিল। একে সময়তে তেওঁ প্ৰতিবাদৰ ফলত কোনো মানুহৰ মৃত্যু হোৱাটো নিবিচাৰিছিল।

এইখিনিতে তেওঁৰ দৃষ্টিভংগীৰ এটা গুৰুত্বপূৰ্ণ দিশ দেখা যায়—প্ৰতিবাদৰ অধিকাৰ আৰু শান্তিপূৰ্ণ গণতান্ত্ৰিক পদ্ধতি, দুয়োটাকে একেলগে গুৰুত্ব দিয়া।

তেওঁৰ বাবে শিল্পী হোৱা মানে ৰাজহুৱা বিষয়ৰ পৰা সম্পূৰ্ণ আঁতৰি থকা নহয়। নিজৰ কণ্ঠ, মঞ্চ আৰু জনপ্ৰিয়তাক তেওঁ সামাজিক বিষয়ত মত প্ৰকাশৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল।

গান যেতিয়া প্ৰতিবাদৰ ভাষা হয়:

অসমৰ CAA-বিৰোধী আন্দোলনৰ সময়ত সংগীতে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। জুবিনৰ উপস্থিতি আৰু গানেও সেই সাংস্কৃতিক প্ৰতিবাদৰ অংশ হৈ পৰিছিল। সমকালীন প্ৰতিবেদনত তেওঁৰ গান আৰু পৰিৱেশনক আন্দোলনৰ পৰিৱেশৰ সৈতে সংযুক্ত কৰি বৰ্ণনা কৰা হৈছে। “পলিটিক্স নকৰিবা বন্ধু”ৰ উপৰিও তেওঁৰ বহু গানেই নীৰৱতাৰ বুকু ফালি প্ৰতিবাদৰ কণ্ঠ হৈ উঠিছিল।

“মৃত্যু এতিয়া সহজ”

এই গানৰ নামটোৱেই এক গভীৰ সামাজিক বাস্তৱতাৰ প্ৰতি ইংগিত বহন কৰে। আন্দোলন আৰু সংঘাতৰ সময়ত মানুহৰ জীৱনৰ মূল্য কিমান গভীৰ—এই প্ৰশ্নটোৱে গানটোক কেৱল সংগীতৰ পৰিসৰৰ বাহিৰলৈ লৈ যায়। CAA-বিৰোধী আন্দোলনৰ সময়ত তেওঁৰ এই গান পৰিৱেশন কৰা হৈছিল বুলি সাংস্কৃতিক বিশ্লেষণত উল্লেখ আছে।

প্ৰতিবাদৰ পথত শান্তিৰ আহ্বান:

জুবিনৰ ৰাজনৈতিক বক্তব্যৰ এটা উল্লেখযোগ্য দিশ আছিল শান্তিপূৰ্ণ প্ৰতিবাদৰ ওপৰত তেওঁৰ গুৰুত্ব। ২০১৯ চনত তেওঁ মানুহক ঐক্যবদ্ধ হৈ নিজৰ মত প্ৰকাশ কৰিবলৈ আহ্বান জনোৱাৰ লগতে শান্তি আৰু গণতান্ত্ৰিক মূল্যবোধ বজাই ৰখাৰ কথাও কৈছিল।

২০২৪ চনত CAA সন্দৰ্ভত তেওঁ পুনৰ কৈছিল যে প্ৰতিবাদৰ বিভিন্ন পথ থাকিব পাৰে আৰু কোনো মানুহৰ মৃত্যু হোৱাটো উচিত নহয়।

এই অৱস্থানৰ পৰা তেওঁৰ ৰাজনৈতিক ভূমিকা এটা নিৰ্দিষ্ট দলীয় ৰাজনীতিৰ সৈতে নহয়, বৰং নাগৰিক হিচাপে নিজৰ মত প্ৰকাশ আৰু গণতান্ত্ৰিক প্ৰতিবাদৰ অধিকাৰৰ সৈতে অধিক সংযুক্ত বুলি বুজিব পাৰি।

মুক্ত কণ্ঠৰ শিল্পী:

জুবিনৰ ব্যক্তিত্বৰ অন্যতম বৈশিষ্ট্য আছিল নিজৰ মত নিজৰ ভাষাত প্ৰকাশ কৰাৰ প্ৰৱণতা। তেওঁ কোনো এটা নিৰ্দিষ্ট ৰাজনৈতিক পৰিসৰৰ ভিতৰত নিজকে আৱদ্ধ কৰি ৰখাৰ সলনি বিভিন্ন সময়ত নিজৰ বিশ্বাস অনুসৰি কথা কৈছিল।

তেওঁৰ ৰাজহুৱা জীৱনক লৈ লিখা কিছুমান বিশ্লেষণত তেওঁ নিজকে সমাজবাদী বুলি পৰিচয় দিয়াৰ কথা উল্লেখ কৰা হৈছে আৰু অসমৰ সামাজিক বিভাজন অতিক্ৰম কৰি এক অন্তৰ্ভুক্তিমূলক পৰিচয়ৰ কথা আলোচনা কৰা হৈছে।

এই কাৰণেই তেওঁৰ ৰাজনৈতিক বক্তব্যক কোনো এটা দলৰ সমৰ্থন বা বিৰোধিতাৰ সৰল কাঠামোত সীমাবদ্ধ কৰিলে তেওঁৰ চিন্তাৰ জটিলতা হ্ৰাস পাব। তেওঁৰ বক্তব্যসমূহ সময়, বিষয় আৰু পৰিস্থিতি অনুসৰি প্ৰকাশ পাইছিল।

সমাজৰ পৰা শিল্পলৈ আৰু শিল্পৰ পৰা সমাজলৈ:

জুবিনৰ ক্ষেত্ৰত সংগীত আৰু সমাজ দুটা পৃথক জগত নাছিল। তেওঁৰ গান মানুহৰ অনুভূতিৰ পৰা আহিছিল আৰু সেই গানেই পুনৰ মানুহৰ মাজলৈ উভতি গৈছিল। তেওঁৰ সংগীতত প্ৰেম আছে, বেদনা আছে, আশা আছে; একে সময়তে সমাজ আৰু পৰিচয়ক লৈ উদ্বেগো আছে। সেইবাবেই তেওঁৰ গান কেতিয়াবা ব্যক্তিগত অনুভূতিৰ ভাষা, কেতিয়াবা সাংস্কৃতিক পৰিচয়ৰ ভাষা, আৰু কেতিয়াবা ৰাজহুৱা প্ৰতিবাদৰ ভাষা হৈ উঠিছিল।

“ধুমুহাৰ সৈতে মোৰ বহু যুগৰে নাচোন”

গীতটোৰ মূল অৰ্থ ব্যক্তিগত অনুভূতিৰ সৈতে জড়িত। কিন্তু “ধুমুহাৰ সৈতে নাচোন”ৰ এই শক্তিশালী চিত্ৰকল্পটোৱে জুবিনৰ শিল্পীজীৱনক স্মৰণ কৰাৰ সময়ত এক ভিন্ন প্ৰতীকী অৰ্থও লাভ কৰে—বিতৰ্ক, পৰিৱৰ্তন আৰু কঠিন সময়ৰ মাজতো নিজৰ কণ্ঠ বজাই ৰখা এজন শিল্পী।

এটি কণ্ঠৰ সামাজিক প্ৰতিধ্বনি:

জুবিন গাৰ্গৰ সামাজিক আৰু ৰাজনৈতিক উত্তৰাধিকাৰক কেৱল তেওঁৰ কোনো এটা বক্তব্য বা কোনো এটা আন্দোলনৰ মাজত বিচাৰি পোৱা নাযায়। ই তেওঁৰ সংগীত, সামাজিক সম্পৰ্ক, সাংস্কৃতিক ভূমিকা আৰু ৰাজহুৱা বক্তব্য—সকলো মিলি গঢ় লৈ উঠিছে।

তেওঁ শিল্পী আছিল, কিন্তু ৰাজহুৱা বিষয়ত নীৰৱ হৈ থকাটো তেওঁৰ পথ নাছিল। তেওঁ নিজৰ জনপ্ৰিয়তাক সামাজিক প্ৰশ্নৰ সৈতে সংযোগ কৰিছিল। তেওঁ অসমৰ পৰিচয়ৰ কথা কৈছিল, বিভাজনৰ বিৰুদ্ধে মত প্ৰকাশ কৰিছিল, CAA-ৰ বিৰোধিতা কৰিছিল আৰু প্ৰতিবাদৰ ক্ষেত্ৰত শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পদ্ধতিৰ ওপৰত গুৰুত্ব দিছিল।

তেওঁৰ সংগীতৰ দৰেই তেওঁৰ সামাজিক কণ্ঠও আছিল বহুমাত্ৰিক।

সেই কণ্ঠৰ এটা অংশ আছিল অসমক লৈ থকা গভীৰ অনুভৱ। এটা অংশ আছিল মানুহৰ প্ৰতি টান। এটা অংশ আছিল অন্যায় আৰু বিভাজনৰ বিৰুদ্ধে প্ৰশ্ন। আৰু আন এটা অংশ আছিল—নিজৰ মত প্ৰকাশ কৰাৰ স্বাধীনতা।

সেয়েহে জুবিন গাৰ্গৰ সামাজিক আৰু ৰাজনৈতিক যাত্ৰাক বুজিবলৈ তেওঁৰ গান শুনাটোৱেই যথেষ্ট নহয়; তেওঁৰ সময়, বক্তব্য আৰু মানুহৰ সৈতে থকা সম্পৰ্ককো একেলগে চাব লাগিব।

শেষত, হয়তো জুবিনৰ শিল্পীসত্তাৰ আটাইতকৈ ডাঙৰ শক্তি এইটোৱেই—তেওঁৰ গান শুনোঁতে মানুহে কেৱল এজন গায়কৰ কণ্ঠ নুশুনে; বহু সময়ত নিজৰ সমাজ, নিজৰ সময় আৰু নিজৰ অনুভূতিৰ প্ৰতিধ্বনিও শুনে।

সেইবাবেই জুবিনৰ কণ্ঠ কেৱল মঞ্চৰ কণ্ঠ নাছিল।
সেই কণ্ঠত আছিল এজন শিল্পীৰ অনুভৱ,
এজন নাগৰিকৰ প্ৰশ্ন,
এজন অসমীয়াৰ পৰিচয়,
আৰু এজন মানুহৰ আন এজন মানুহৰ প্ৰতি থকা টান।
তেওঁৰ গান শেষ হ'ব পাৰে,
কিন্তু গানবোৰে উত্থাপন কৰা প্ৰশ্নবোৰ—
মানুহ, সমাজ, পৰিচয় আৰু ন্যায়ৰ প্ৰশ্নবোৰ
শুনিবলৈ আৰু ভাবিবলৈ প্ৰজন্মৰ পিছত প্ৰজন্ম ৰৈ যাব।

লিখনি
মানিক দাস
জিলা: কামৰূপ

শেষ বুলিলেইতো শেষ নহয়, আকৌ আৰম্ভ হয়, শেষ নহয়।

জুবিনদাৰ এই কথাষাৰত যেন তেওঁ নিজকে আমাৰ বাবে থৈ গৈছে। তেওঁ নিজৰ কথাৰ দৰেই কেতিয়াও শেষ নোহোৱাকৈয়ে নিজকে আমাৰ মাজত বিলাই দিলে। আমাৰ বাবে সিঁচি থৈ গ'ল তেওঁৰ গান, আদর্শ, প্রকৃতিৰ প্রতি আকুলতা, তেওঁৰ শক্তি, সাহস আৰু তেওঁৰ উদাত্ত কণ্ঠ।

তেওঁ আমাৰ মাজৰ পৰা আঁতৰি যোৱা আজি এটা বছৰ পাৰ হ'ল। তথাপিও তেওঁৰ সাহস আমাৰ উশাহত সজীৱ হৈ আছে আৰু সদায় থাকিব। তেওঁৰ আদর্শবোৰ প্রজন্মৰ তেজে তেজে বিয়পি থাকিব। তেওঁৰ সৃষ্টিয়ে মায়াৰ দৰে চিৰকাল শ্রোতাৰ মন মোহিব, ধুমুহাৰ দৰে চিৰকাল সজাগ কৰি ৰাখিব আৰু কাঞ্চনজংঘাৰ দৰে মুকলি হৈ আমাক উশাহ ল'বলৈ শিকাব।

জুবিনদাৰ আদর্শবোৰেই আমাৰ ধর্ম—মানৱ ধর্ম। জুবিনদাৰ বাণীয়ে আমাৰ পথ প্রদর্শক হিচাপে সহায় কৰি যাব। তেওঁ "পলিটিক্স নকৰিবা বন্ধু" বুলি কৈ নতুন প্রজন্মক নিকা ৰাজনীতিৰ পথ দেখুৱাইছিল। তেওঁ কৈছিল—

"মনত ৰাখিব
আমি নতুন প্রজন্ম হয়
ইচ্ছা কৰিলে দেশ সলাবও পাৰোঁ, জ্বলাবও পাৰোঁ।"

গতিকে, জুবিনদাৰ অস্তিত্ব আৰু আদর্শক আমি আমাৰ কর্মৰ মাজেৰে চিৰসেউজীয়া কৰি ৰাখিব লাগিব।

লিখনি
অনন্যা দাস
বকো, কামৰূপ, অসম
সহ-সম্পাদিকা

An Incomplete Dream

THE alarm rang. I grabbed my phone, turned it off, and saw that it was already 7 o'clock. I got up, brushed my teeth, took a bath, and got ready for the day.

It was a very special day for me because it was the day of Cotton University's Freshers' Day, আৰোহী 2023. As an H.S. first-year student, the occasion held a special place in my heart.

After getting ready, I had my breakfast and left the house. I was staying at my paternal aunt's house in Bhashkarnagar, so to reach Panbazar, I first had to walk to the main road, take a bus from Colony Bazar to Nepali Mandir, and then change to another bus to reach Panbazar.

I reached Panbazar at around 9:23 a.m. and walked to the university, which took almost ten minutes. I was happy and excited—not only because of আৰোহী, but also because of a special person. And before you make any unnecessary predictions, let me tell you: it was Zubeen Garg.

The Cotton University Students' Union had invited Zubeen Garg to perform at the Freshers' party. I was thrilled because I had always wanted to see him perform live.

Growing up listening to his songs had made this dream stronger and stronger. But I had never had the chance to see him perform. I was too young to attend concerts or functions on my own, and my parents had never taken me to one either. Or, to put it better, I had been too unlucky to see this dream come true.

At the university, I spent the whole day enjoying myself with my seniors and friends. Around 6:50 p.m., we came to know that Zubeen Garg would be late for the programme. Hearing this, many of my friends started going home. But I was determined to see him at any cost, so I stayed back at the KBR Hall.

In the meantime, it started raining, and gradually, the weather became worse.

Around 8 p.m., my aunt called and told me to reach home as soon as possible because the heavy rainfall could lead to sudden flooding. I had no choice but to leave. Still, I waited until 8:30 p.m., hoping that he might arrive. But neither did Zubeen arrive nor did the rain stop.

With no other option and a heart full of disappointment, I grabbed a polythene bag from a dustbin to cover my phone and earbuds. Then I started walking towards Nepali Mandir via Guwahati Railway Station.

When I reached Nepali Mandir, I realised that there were no buses available to take me home. The floodwater had already begun rising. I asked a few van and rickshaw drivers for help, but no one was willing to go.

I had no idea what to do at that moment. So, feeling completely helpless, I decided to walk to Bhashkarnagar through the water-filled roads.

I put on Zubeen Garg's songs on Spotify and started walking.

For the first few kilometres, my journey was smooth, even in the rain. But when I reached Arya Vidyapeeth, I realised that the real test of my patience and courage had begun.

The road near Aryanagar was completely flooded. With no other choice, I stepped into the floodwater, chanting, "Awll eez well! Awll eez well!"

As I walked, I kept praying that I wouldn't fall into a broken drain. I knew how to swim, but that knowledge did little to calm my fear at that moment.

After hundreds of risky steps, I finally reached near Dr. Kalicharan Nursing Home. By the grace of God, the road conditions from there were a little better. So, I started running towards home.

I ran through the rain without stopping for a moment and finally reached home at 11:15 p.m., carrying nothing but disappointment.

From there, life did not go as I had expected. I became busy—so busy that I didn't even realise how quickly time had passed.

Fast-forward to 2025.

I was resting on my bed, scrolling through YouTube, when suddenly, my whole world seemed to stop. An "X" notification appeared on my screen:

"Popular Assamese Singer Zubeen Garg is no more."

The dream I had carried for years had come to an end without ever being fulfilled. I had wanted to see a legend perform live, but I never got the chance. And I still regret it.

That incident taught me a very important life lesson: We should always make an extra effort for the people we care about, the people we love, and the people who mean something to us—before it is too late.

Thus, a desperate soul's dream had an incomplete and tragic ending.

Written by
Nabajit Sanyashi
Kamrup, Assam

The Voice That Became a Civilization

“We are not merely Zubeen’s listeners. We are Zubeenation.”

There are singers who sing songs. There are musicians who create melodies. There are artists who entertain. And then, once in a generation, someone appears whose voice becomes inseparable from the emotional memory of a people. Zubeen Garg was that rare phenomenon. He was not merely a singer from Assam; he became one of the ways Assam heard, felt and recognised itself.

Born on 18 November 1972 in Tura, Meghalaya, Zubeen Garg grew up in a world where literature and music were already part of his cultural inheritance. His father, poet Mohini Mohon Borthakur, and his mother, singer Ily Borthakur, shaped the artistic atmosphere of his childhood. His professional journey began with Anamika in 1992, and from the very beginning, Zubeen seemed unwilling to accept the boundaries that music often creates—between folk and modernity, tradition and experimentation, regional and universal, Assamese and the rest of India.

What made Zubeen extraordinary was not simply that he modernised Assamese music. He modernised the way an Assamese person could imagine being Assamese. He could take the pulse of Bihu, the rhythm of folk traditions, the energy of rock, the intimacy of romantic music and the language of greatest cultural gift: he made tradition feel young

contemporary cinema—and make them coexist. He did not treat tradition as something fragile that must be locked inside a museum. He treated it as something alive: something that could breathe, evolve, rebel and still remain rooted. In his music, the gamusa, the dhol, the pepa, the sound of Bihu, the rain of Assam, the Brahmaputra, village roads, youthful love and urban dreams could occupy the same emotional universe. That was perhaps his greatest cultural gift: he made tradition feel young.

Then came Mumbai. But Zubeen did not leave Assam behind. He carried Assam with him. His voice travelled through Assamese, Hindi, Bengali and other languages, reaching audiences far beyond the Northeast. Songs such as Ya Ali introduced him to millions of listeners across India, while Assamese audiences already knew something deeper: behind the Bollywood voice was an artist whose emotional home remained Assam. His career stretched across singing, composing, songwriting, music direction, instrumentation, acting and filmmaking, with works connected to Assamese cinema including Hiya Diya Niya, Mon Jaai, Mission China, Kanchanjangha and Ratnakar.

But perhaps Zubeen's greatest achievement cannot be measured in awards, albums, box-office figures or playback credits. It can only be measured in memory. His songs entered childhoods and college hostels, Bihu stages and village courtyards, bus journeys and lonely nights, first loves and heartbreaks, weddings and family gatherings. Psychology teaches us that music can become deeply intertwined with autobiographical memory; a melody can suddenly reopen an entire emotional world that we thought time had closed. That is why a Zubeen song is often more than a song. It can be a forgotten afternoon, a first love, a mother's voice, a friend's laughter, a road home, a season of youth. He did not merely create music; he became part of people's inner memory.

And I have my own Zubeen memory. While studying for my Master's at Cotton University, I met Zubeen Da at Dighalipukhuri. It was an ordinary meeting in the chronology of life, yet some ordinary moments become extraordinary only after they have become memories. At that time, I could not have imagined that the man I encountered so simply would one day become such an immense part of Assam's cultural memory. Perhaps this is one of life's quiet philosophies: we rarely recognise the historical value of a moment while we are living inside it. We understand it only after it becomes yesterday.

“19 SEPTEMBER 2025 — WHEN A VOICE FELL SILENT”

On 19 September 2025, Zubeen Garg died in Singapore at the age of 52 after drowning during a yacht outing near Lazarus Island. His death sent shockwaves through Assam and far beyond it. In March 2026, Singapore's State Coroner ruled the death an accidental drowning, finding no evidence of foul play; the Singapore Police Force subsequently stated that its investigation had concluded on the same basis.

Yet grief does not disappear simply because a legal process reaches a finding. Nor should grief become a substitute for evidence. For those who loved Zubeen, the meaningful response is to hold together memory and truth, emotion and reason, love and due process. Questions surrounding any tragedy deserve proper examination through evidence and lawful procedures, while conclusions should rest on established findings rather than rumours or speculation. The Singapore authorities' findings are now part of the public record, and any separate proceedings elsewhere must be understood through their own legal processes.

What, then, was Zubeen Garg?

THE ZUBEEN PHENOMENON

A singer—but not only a singer.
A composer—but not only a composer.
A filmmaker, actor, lyricist, instrumentalist and performer—but still something beyond all these descriptions.

He was a cultural phenomenon.

He represented an Assam that was deeply rooted yet not afraid of the world. An Assam that could speak its own language without apologising for it. An Assam that could celebrate Bihu and embrace rock; remember folk traditions and experiment with modern sound; carry the gamusa while walking confidently into a global cultural landscape.

This is why Zubeen's significance cannot be reduced to the entertainment industry. He became part of Assamese cultural consciousness. His music participated in the continuous psychological process through which a society tells itself who it is. Every generation inherits an Assam from the generation before it, but every generation also recreates Assam. Zubeen belonged to that second process. He helped a younger Assam hear its own identity in a contemporary language.

The deepest pride of Assam is not merely that one of its sons became famous. It is that our soil produced a voice that did not need to abandon its identity in order to cross borders.

The Brahmaputra does not stop being Assamese because it flows beyond one bank. A melody does not cease to belong to its birthplace because someone thousands of kilometres away falls in love with it. Culture becomes strongest not when it builds walls, but when it travels.

Zubeen travelled.

And Assam travelled with him.

WE ARE ZUBEENATION

We are the generation that grew up with his songs. We are those who discovered him through Assamese music, through Bihu, through cinema, through friends, through family, or perhaps through a Hindi song playing somewhere far from Assam. We are different ages, different backgrounds and different lives, yet somehow his music created a shared emotional vocabulary among us.

We are Zubeenation.

Not a political party.
Not a religion.
Not a cult.

A cultural memory.

To be Zubeenation should not mean simply placing an artist on a pedestal. It should mean understanding what his artistic life represented: the courage to experiment, the freedom to create, the confidence to speak from one's roots, and the refusal to accept that being regional means being small.

Zubeen taught an important cultural lesson without needing to turn it into a lecture: you can belong deeply to one place and still belong to the world.

That is the Assamese paradox—and perhaps the Assamese strength.

THE SONG HAS NOT ENDED

Death creates a strange psychological boundary. The body disappears, but the person continues to exist in the minds of others—not physically, but through memory, imitation, language, art and emotion. A musician lives again whenever someone sings his melody. A filmmaker survives whenever someone watches his work. A cultural figure survives whenever a generation carries his influence into the next.

That is why Zubeen Garg's voice cannot be measured only by the number of recordings he left behind.

His voice exists in a young musician picking up a guitar.
In a child learning an Assamese melody.
In a Bihu husori echoing through a village.
In a student listening to Zubeen Da through headphones.
In a filmmaker dreaming of telling an Assamese story to the world.
In someone living thousands of kilometres away from Assam who suddenly hears his voice—and feels, inexplicably:

"This is home."

Perhaps that is cultural immortality.

Zubeen Garg's physical voice has fallen silent, but the psychological life of his music continues. His songs have entered the memories of individuals and, beyond individuals, the collective memory of a people.

He did not merely leave behind songs.
He left behind a way of feeling.
A way of remembering.
A way of belonging.
A way of being Assamese without being afraid of the world.

জুবিন দা, আপুনি নাই—
কিন্তু আপোনাৰ সুৰ এতিয়াও আছে।

আপোনাৰ কণ্ঠ থমকিছে—
কিন্তু অসমৰ বুকুত আপোনাৰ কণ্ঠৰ প্ৰতিধ্বনি
এতিয়াও বাজি আছে।

The man is gone.

The music remains.
The memory remains.
The culture remains.
The legacy remains.

And somewhere between the sound of the pepa, the rhythm of the dhol, the wind over the Brahmaputra and the countless voices singing his songs—

Zubeen still sings.

WE ARE ZUBEENATION.

And we will carry the song forward.

Written by
Arjun Malo
Kamrup, Assam

জুবিন গার্গলৈ চিঠি

চেনেহ • শ্রদ্ধা• অনুভূতি

UNFILTERED LOVE
FROM THE HEART

Personal notes, heartfelt messages, and unspoken gratitude written directly by the fans who adore him.

EDITOR

সম্পাদকীয় সমিতি

Editorial & Design

40

শ্রদ্ধাঞ্জলি আৰু অনুৰাগৰ চিঠি

জুবিন দা,

কেতিয়াবা কিছুমান মানুহক হেৰুৱাৰ কথা মানি লোৱাটো ইমান কঠিন হয় যে, তেওঁলোকৰ কথা লিখিবলৈ গ'লেও হাতখন ৰৈ যায়। আপোনালৈ এই চিঠিখন লিখিবলৈ বহোঁতে মোৰো ঠিক তেনেকুৱাই লাগিছে। আপোনাক মই ব্যক্তিগতভাৱে চিনি নাপাওঁ। আপোনাৰ লগত কেতিয়াও বহি কথা পতা নাই। তথাপিও কিয় জানো, আপোনাক লৈ মনত ইমান কথা জমা হৈ আছে যেন আপুনি বহুদিনৰ চিনাকি কোনোবা এজন।

সৰুৰে পৰা আপোনাৰ গান শুনি আহিছোঁ। তেতিয়া হয়তো বুজি পোৱা নাছিলোঁ, আপোনাৰ কণ্ঠ এটা দিনত আমাৰ জীৱনৰ ইমান ডাঙৰ অংশ হৈ পৰিব বুলি। আপোনাৰ গান শুনিছিলোঁ, ভাল লাগিছিল। এতিয়া পিছলৈ ঘূৰি চালে বুজোঁ-জীৱনৰ বহু মুহূর্তৰ লগত আপোনাৰ গানবোৰ কেনেকৈ নীৰৱে জড়িত হৈ আছে।

আপুনি হয়তো নাজানে, আপোনাৰ কণ্ঠ শুনি কিমান মানুহে নিজৰ মনৰ কথাবোৰ বিচাৰি পায়। আপোনাৰ এটা গান কিমানজনৰ বাবে কিমান মূল্যৱান। কোনোবাই সেই গানত নিজৰ শৈশৱ বিচাৰি পায়, কোনোবাই নিজৰ আপোন মানুহক, কোনোবাই নিজৰ ঘৰখনক। আপুনি অসমীয়া মানুহৰ বাবে কেৱল এজন শিল্পী হৈ নাথাকিল। আপোনাৰ গানৰ মাজেৰে আমি আমাৰ নিজৰ ভাষা, নিজৰ মাটি আৰু নিজৰ মানুহক অনুভৱ কৰিবলৈ শিকিলোঁ।

আন বহু জনৰ দৰে আপোনাক এবাৰ সন্মুখত দেখাৰ ইচ্ছা মোৰো আছিল। ভাবিছিলোঁ, কেতিয়াবা সুযোগ পালে আপোনাৰ ওচৰলৈ গৈ মাথোঁ "জুবিন দা" বুলি মাতিম। আপোনাৰ গানবোৰৰ বাবে এবাৰ "ধন্যবাদ" বুলি কম। কিন্তু সেই সৰু ইচ্ছাটোও এতিয়া মনতে থাকি গ'ল। নিষ্ঠুৰ সময়ে মোক সেইকণ সুযোগ নিদিলে। আপোনাক ক'ব লগা বহুত কথা আছিল। আজি সেই কথাবোৰেই এই চিঠিখনত লিখিছোঁ। এতিয়া আপোনাৰ গান বাজিলে এনে লাগে,

> "গানটো একেই আছে। সুৰটো একেই আছে। আপোনাৰ কণ্ঠটোও একেই আছে। মাথোঁ আপুনি নাই। আৰু এই "নথকা" কথাটো মানি লোৱাটোৱেই আটাইতকৈ কঠিন।"

আপোনাৰ লগত মোৰ ব্যক্তিগত কোনো স্মৃতি নাই, তথাপিও আপোনাক লৈ মোৰ মনত ইমান স্মৃতি কিয়-সেই কথাটো ভাবিলে বুজোঁ, হয়তো আপোনাৰ গানবোৰেই সেই স্মৃতিবোৰৰ এটা অংশ হৈ আছে। জীৱনৰ বহু সাধাৰণ দিন, বহু সৰু সৰু মুহূর্ত আপোনাৰ গানৰ সৈতে কেতিয়া যে জড়িত হৈ পৰিল, নিজেও গম নাপালোঁ। সেইবাবেই আপোনাক হেৰুৱাৰ কথাটো কেৱল এজন শিল্পীক হেৰুৱাৰ দৰে নালাগে। নিজৰ জীৱনৰ চিনাকি এটা সময় হঠাতে নোহোৱা হৈ যোৱাৰ দৰে লাগে।

আপুনি আমাক বহুত কিবা দি গ'ল। গান দি গ'ল, সুৰ দি গ'ল, স্মৃতি দি গ'ল। কিন্তু আটাইতকৈ ডাঙৰ কথাটো আপুনি আমাৰ মনত নিজৰ বাবে এটা ঠাই বনাই থৈ গ'ল। সময় পাৰ হৈ যাব। জীৱন আগবাঢ়িব। আমি ডাঙৰ

হ'ম। বহু নতুন গান আহিব, বহু নতুন শিল্পী আহিব। কিন্তু আপোনাৰ ঠাই আমাৰ জীৱনত কোনেও কেতিয়াও পূৰ কৰিব নোৱাৰিব।

শেষত মাথোঁ এটাই ক'ব বিচাৰোঁ, আপুনি আমাৰ মাজত নাথাকিলেও, আপোনাৰ গানবোৰে আপোনাক আমাৰ মাজতেই ৰাখিব।


অশেষ মৰম আৰু সন্মানেৰে, আপোনাৰ এজনী অনুৰাগী

WRITTEN WITH LOVE BY

নিখিতা কলিতা

গোৱালপাৰা, অসম।

মন যায় এবাৰ লগ পাবলে....



Date : / /

মন যায়, এবাৰ লগ পাবলে....

জীৱনৰ এটা ডাঙৰ আক্ষেপ জুবিনদাক এবাৰ ওচৰৰ পৰা চাব নোৱাৰিলো। দাদাৰ অনুষ্ঠান উপভোগ কৰিব নোৱাৰিলো ২০২৫ চনৰ ৩০ ছেপ্তেম্বৰ হাজৰিকাপাৰা, ছিপাঝাৰত তেখেতৰ অনুষ্ঠান আছিল। দুৰ্ভাগ্যৱশত মাব নোৱাৰিলো। কিন্তু জুবিন মানেই গান, দাদাৰ গানেই আমাৰ প্ৰাণ। ৰাতি ১২ টা বজাত ঘৰৰ বাহিৰত গৈ মেৰৰ পুতিৰ চাওঁত উঠি তেখেতৰ গান শুনিছো। পেৰাই চাগে আমাৰ আবেগ।

২০২৫ চনৰ ২৮ এপ্ৰিল, মঙলদৈত জুবিনদাৰ বিহু অনুষ্ঠান। ৰাতি ২ টা বজালৈ টিভিত লাইভ ছাইছো, অনুষ্ঠান শেষ নকৰিলে।

এয়াই চাগে আমাৰ জুবিন দা...।
আমাৰ আবেগ, আমাৰ প্ৰাণ

We Miss You Zubeen Daa...

ইপাৰ-সিপাৰ আচিনা অচিনা
সমুখত নেদেখো পোহৰ
আঁকৈ ঘুৰি আহক
আমি ৰৈ আছো...

WRITTEN WITH LOVE BY

Tanushree Devi

Pub Kamrup College

চিত্রায়ণ

ৰং • ৰেখা • সৃষ্টি

STROKES THAT CAPTURE
THE EMOTION

A visual tribute of sketches, portraits, and creative expressions inspired by his journey and melody.

EDITOR

নবজিত সন্যাসী আৰু মানিক দাস

Art & Creative Curation

44

BE A SOCIALIST

জুবিন
গার্গ

“
Not a portrait.
Not a decoration.
A political statement
on a wall.
When capital speaks
in numbers, rebellion
answers in red.
”



ARTWORK BY
Marshall Baruah

জুবিন গার্গ

ৰঙে কোৱা এটি গান

"

'ধীৰে ধীৰে হেৰাই যায়' গানটোৰ অনুভৱক ৰং, চৰিত্র আৰু প্রতীকৰ মাজেৰে দৃশ্যমান ৰূপ দিয়া এক অভিব্যক্তিপূর্ণ চিত্রায়ণ।



ARTWORK BY

মৃণাল ৰাভা

কামৰূপ, অসম

জুবিন গার্গ

ৰঙে কোৱা জুবিনৰ কাহিনী

“

ৰঙৰ পৃথিৱীত জুবিনৰ দুটা ৰূপ —এটি হাঁহিত সজীৱতা, আনটিত নিস্তব্ধতাৰ সৌন্দর্য।





ARTWORK BY


ৰফিকুল ইছলাম

জুবিন গার্গ

এটি নাম, অজস্র অনুভৱ

“

তেওঁৰ কণ্ঠৰ দৰে তেওঁৰ স্মৃতিও আমাৰ মাজত ৰৈ যায়। হাতে লিখা পংক্তি আৰু সৰল ৰেখাৰ মাজেৰে অংকিত এই প্রতিচ্ছবি সেই অনুভৱৰেই এক প্রকাশ।



ARTWORK BY

গীতার্থ মেধি

কামৰূপ, অসম।

Comrade, Never Die

জুবিন গার্গ

"A powerful tribute to Zubeen Garg—portrayed as a "comrade" in another person's story, whose presence, art and spirit continue to live beyond his lifetime. The mural was reported as "Comrade, Do Not Die" and was painted below the Ganeshguri flyover in Guwahati."



ARTWORK BY


Marshall Baruah

জুবিন গার্গ

এটি নীৰৱ প্ৰতিচ্ছবি

“

এডাল এডাল ৰেখাই গঢ়ি তুলিছে এটি চিনাকি মুখ— সৰলতা আৰু অনুভৱৰ মাজেৰে জুবিনৰ এক নীৰৱ প্ৰতিচ্ছবি।



ARTWORK BY

জোনাকী দাস

বকো, কামৰূপ, অসম

জুবিন গার্গ

এটি মুখ, বহু কাহিনী

“

যি কণ্ঠই অসংখ্য হৃদয় স্পৰ্শ কৰিছিল, সেই শিল্পীৰ দুটা ৰূপক দুটা ভিন্ন শিল্পীসুলভ প্ৰকাশত সজীৱ কৰি তোলা হৈছে।





ARTWORK BY

ধনজ্যোতি ৰাভা

কামৰূপ, অসম।

জুবিন গার্গ

এটি ক্ষণৰ সোঁৱৰণী

"

এটি শান্ত মুহূর্ত, এযোৰ চিনাকি চকু, আৰু পেঞ্চিলৰ ৰেখাত ৰৈ যোৱা এক অমলিন অনুভৱ।



ARTWORK BY

অর্জুন মালো।

বকো, কামৰূপ।

চিত্রশালিকা

দৃশ্য • মুহূর্ত • স্মৃতি

FRAMES THAT HOLD
THE MEMORIES

A collection of captured moments, concerts, and timeless frames reflecting a life lived through music.

EDITOR

বনজিৎ কলিতা

Editorial & Design

Source - Internet

Zubeen Garg: Among His People







ZUBEEN GARG ON STAGE

Live Performances




















ZUBEEN GARG WITH NATURE

Candid Moments













ZUBEEN GARG WITH FAMILY


Cherished Memories











ZUBEEN GARG - CHILDHOOD

Early Years













ZUBEEN GARG AS REBEL

The Voice of Dissent












ZUBEEN GARG — MEMORABLE MOMENTS












































EUCALYPTUS

ART | PEOPLE | IDEAS | ALWAYS

A small magazine
for a timeless inspiration.



Music Lives Forever

Same Roots
New Voices
A Brighter Tomorrow

THANK YOU
FOR BEING A PART OF
THIS JOURNEY.

EUCALYPTUS

MORE STORIES AHEAD...